ৰাজনীতি

কলকাতাত তৃণমূল কংগ্রেছৰ নির্মাণৰত মুখ্য কার্যালয় ছীল আৰক্ষীৰ

পৌৰ নিগমৰ প্রয়োজনীয় অনুমতি নথকাৰ অভিযোগত তৃণমূল কংগ্রেছৰ নির্মাণৰত মুখ্য কার্যালয় ছীল কৰে কলকাতা আৰক্ষীয়ে।

প্রকাশ: ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪০



কলকাতা, ২৮ নৱেম্বৰ: কলকাতাৰ টপছিয়া অঞ্চলত থকা তৃণমূল কংগ্রেছৰ নির্মাণৰত মুখ্য কার্যালয়টো ছীল কৰিছে কলকাতা আৰক্ষীয়ে। পৌৰ নিগমৰ প্রয়োজনীয় অনুমতিপত্র নথকাৰ অভিযোগ তুলি শুকুৰবাৰে সন্ধিয়া আৰক্ষীয়ে এই পদক্ষেপ গ্রহণ কৰে। এই ঘটনাক কেন্দ্র কৰি ইতিমধ্যে তৃণমূল কংগ্রেছ আৰু বিজেপিৰ মাজত তীব্র ৰাজনৈতিক বাকযুদ্ধ আৰম্ভ হৈছে।

আৰক্ষীয়ে কার্যালয় ভৱনটোৰ প্রৱেশদ্বাৰত বেৰিকেড স্থাপন কৰি সকলোধৰণৰ ৰাজনৈতিক সভা-সমিতি তথা দলীয় কার্যসূচী অনুষ্ঠিত কৰাত বাধা আৰোপ কৰিছে। নির্মাণকার্যত নিয়োজিত শ্রমিকসকলৰ বাহিৰে আন কোনো লোকৰ প্রৱেশত অনুমতি দিয়া হোৱা নাই। শনিবাৰে পুৱাৰ পৰা অঞ্চলটোত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰা হয়। ই এম বাইপাছৰ পৰা কার্যালয়লৈ যোৱা পথত বেৰিকেড দিয়াৰ উপৰি তালৈ যোৱা লোকসকলৰ পৰিচয়-পত্রও পৰীক্ষা কৰা হৈছে।

প্রাপ্ত তথ্য অনুসৰি, কার্যালয়টোত মেৰামতি আৰু নির্মাণৰ কাম চলি থকাৰ বাবে তৃণমূল কংগ্রেছে সাময়িকভাৱে আন এটা ভৱনৰ পৰা দৈনন্দিন কাম-কাজ পৰিচালনা কৰি আছিল। কিন্তু শেহতীয়াকৈ দলটোৰ মহিলা শাখা আৰু আই টি কোষে সামাজিক মাধ্যমযোগে দলীয় কর্মীসকলক এই নির্মাণৰত কার্যালয়লৈ আহিবলৈ আহ্বান জনায়। শুকুৰবাৰে ভৱনটোৰ তলৰ মহলাত এখন বৈঠক অনুষ্ঠিত হোৱাৰ পাছতেই আৰক্ষীয়ে কার্যালয়টো ছীল কৰে।

© 2026 NewzNow

আৰক্ষীয়ে জনোৱা মতে, ভৱনটোৰ নির্মাণ সম্পূৰ্ণ নোহোৱাৰ বাবে ব্যৱহাৰ কৰিবলৈ পৌৰ নিগমৰ অনুমতি লোৱাটো বাধ্যতামূলক। প্ৰয়োজনীয় যাৱতীয় অনুমতি নথকাৰ বাবেই প্ৰশাসনে এই পদক্ষেপ লোৱা বুলি তৃণমূলৰ নেতাসকলক অৱগত কৰা হৈছে।

আৰক্ষীৰ এই ভূমিকাক লৈ তৃণমূল নেতা বৈশ্বানৰ চট্টোপাধ্যায়ে প্ৰশ্ন উত্থাপন কৰিছে। তেওঁ অভিযোগ কৰে যে দলীয় কৰ্মীসকলে নির্মাণকার্য পৰিদর্শন কৰিবলৈ যোৱাৰ ক্ষেত্ৰতো বাধা প্ৰদান কৰা হৈছে। আনহাতে দলটোৰ বিধায়ক আখৰুজ্জামানে মন্তব্য কৰে যে এইটো সম্পূৰ্ণ প্ৰশাসনিক বিষয় আৰু ইয়াৰ সৈতে তেওঁলোকৰ কোনো সম্পৰ্ক নাই।

ইফালে, বিজেপিৰ মুখপাত্ৰ দেবজিৎ সৰকাৰে তৃণমূল কংগ্ৰেছক সমালোচনা কৰি কয় যে প্ৰশাসনে নিজৰ দায়িত্ব অনুসৰি পদক্ষেপ লৈছে আৰু ভৱনটোৰ নির্মাণকার্য বন্ধ কৰা হোৱা নাই। আইন সম্পৰ্কে কিবা জানিবলগীয়া থাকিলে মুখ্যমন্ত্ৰী মমতা বেনার্জীক আদালতৰ দ্বাৰস্থ হ'বলৈও তেওঁ পৰামর্শ আগবঢ়ায়।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7207/kolkata-police-seals-tmc-office